প্ৰেছ বিজ্ঞপ্তি

২৩ ছেপ্টেম্বৰ, ২০১৬

**অন্তঃসংস্থাপন অক্ষৰ অবিহনে**

**সংখ্যাসূচীত সংখ্যাসমূহ ক্ৰমবৰ্দ্ধিত আকাৰত থকা**

**আৰু মুদ্ৰাংকন ছাপ ৰহিত ২০ টকীয়া বেংক নোট প্ৰচলন**

ভাৰতীয় ৰিজাৰ্ভ বেংকে অলপতে, উভয় সংখ্যাসূচীত অন্তঃসংস্থাপিত অক্ষৰ অবহিনে, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ ড০ ৰঘূৰাম ৰাজনৰ স্বাক্ষৰ সম্বলিত, আৰু বেংকনোটৰ ওলোটা পিঠিত ছপাবৰ্ষ ‘২০১৬’ ছপা কৰা, মহাত্মা গান্ধী শৃংখলা-২০০৫ত ২০ টকা মূল্যৰ বেংকনোট প্ৰচলন কৰিব।

এতিয়া প্ৰচলন কৰিবলগা এই বেংকনোটবোৰৰ নক্সা আৰু সুৰক্ষা বৈশিষ্ট্যসমূহ মহাত্মা গান্ধী শৃংখলাত ইতিপূৰ্বে কৰা ধৰণে উভয় সংখ্যাসূচীত ক্ৰমবৰ্দ্ধিত আকাৰৰ সংখ্যাবিশিষ্ট, অপৰিস্ফুট প্ৰতিকৃতিৰহিত আৰু পৰিচয়মূলক চিহ্নৰহিত ২০ টকা মূল্যৰ বেংক নোটৰ সৈতে একে হব। মুদ্ৰাংকন ছাপ আঁতৰোৱা হেতুকে নোটৰ সমুখ পিঠিৰ ৰং পাতলীয়া হৈছে। (উল্লেখঃ প্ৰেছ বিজ্ঞপ্তি নং ২০১৬-২০১৭/৭৫৭ দিনাংক ১৫ ছেপ্টেম্বৰ,২০১৬)

ৰিজাৰ্ভ বেংকে পূৰ্বে প্ৰচলন কৰা ২০ টকা মূল্যৰ সকলো বেংকনোট বৈধ পত্ৰমুদ্ৰা হৈ থাকিব।

**প্ৰেছ বিজ্ঞপ্তিঃ ২০১৬-২০১৭/৭৫৭**

**অজিত প্ৰসাদ**

সহকাৰী উপদেষ্টা